ধূলিময় হওক সেই ব্যক্তিৰ নাক, যাৰ ওচৰত মোৰ নাম উল্লেখ হোৱাৰ পিছতো সি মোৰ প্ৰতি দৰূদ পাঠ কৰা নাই। সেই ব্যক্তিৰো নাক ধূলিময় হওক, যিয়ে ৰমাজান মাহত প্ৰৱেশ কৰিও নিজৰ গুনাহ মাফ নকৰাকৈয়ে থাকে আৰু ইপিনে ৰমাজান মাহ পাৰ হৈ যায়। এইদৰে ধূলিময় হওক সেই ব্যক্তিৰ নাক, যিয়ে নিজৰ পিতৃ-মাতৃক বৃদ্ধাৱস্থাত পাইয়ো (জান্নাতত প্ৰৱেশ কৰিব পৰা নাই বা) তেওঁলোকে তাক জান্নাতত প্ৰৱেশ কৰাব পৰা নাই।" (অৰ্থাৎ সি তেওঁলোকৰ সেৱা যত্ন কৰি জান্নাত অৰ্জন কৰিব পৰা নাই।)

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "ধূলিময় হওক সেই ব্যক্তিৰ নাক, যাৰ ওচৰত মোৰ নাম উল্লেখ হোৱাৰ পিছতো সি মোৰ প্ৰতি দৰূদ পাঠ কৰা নাই। সেই ব্যক্তিৰো নাক ধূলিময় হওক, যিয়ে ৰমাজান মাহত প্ৰৱেশ কৰিও নিজৰ গুনাহ মাফ নকৰাকৈয়ে থাকে আৰু ইপিনে ৰমাজান মাহ পাৰ হৈ যায়। এইদৰে ধূলিময় হওক সেই ব্যক্তিৰ নাক, যিয়ে নিজৰ পিতৃ-মাতৃক বৃদ্ধাৱস্থাত পাইয়ো (জান্নাতত প্ৰৱেশ কৰিব পৰা নাই বা) তেওঁলোকে তাক জান্নাতত
প্ৰৱেশ কৰাব পৰা নাই।" (অৰ্থাৎ সি তেওঁলোকৰ সেৱা যত্ন কৰি জান্নাত অৰ্জন কৰিব পৰা নাই।)
[ছহীহ] [(তিৰমিজী, আহমদ)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তিনি প্ৰকাৰ লোকৰ বাবে বদ্দুআ কৰিছে যে, সিহঁতৰ নাক অপমান অপদস্থ হৈ ধূলিময় হওক। প্ৰথম প্ৰকাৰঃ এনেকুৱা ব্যক্তি যাৰ ওচৰত নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ নাম লোৱা হৈছে, কিন্তু সি তেখেতৰ নাম শুনিও দৰূদ পাঠ কৰা নাই। অৰ্থাৎ চাল্লাল্লাহু আলাইহি অছাল্লাম বা এনেকুৱা কোনো বাক্য কোৱা নাই। দ্বিতীয় প্ৰকাৰঃ এনেকুৱা ব্যক্তি যিয়ে ৰমাজান মাহ পোৱাৰ পিছতো নেক আমল কৰি নিজৰ গুনাহ খাতা মাফ কৰিব পৰা নাই। তৃতীয় প্ৰকাৰঃ এনেকুৱা ব্যক্তি যিয়ে নিজৰ পিতৃ-মাতৃক বৃদ্ধাৱস্থাত পাইছে, তথাপিও সি তেওঁলোকৰ সেৱা যত্ন কৰি জান্নাত অৰ্জন কৰিব পৰা নাই। বৰং সি তেওঁলোকৰ অবাধ্যতাহে কৰিছে।

http://www.sunnah.global/hadeeth/as/show/6014